# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-06-2025
**Time :** 17-15 Hrs

***Assamese EVENING Bulletin***
***:::::::::::::::::::::::::::::::***

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো আজি ইছলাম ধৰ্মাৱলম্বী লোকসকলে উৎসাহ-উদ্দীপনাৰে পবিত্ৰ ঈদ-উজ্-জোহা পালন কৰে। এই উৎসৱক ঈদ-অল-আধা বা ঈদ-উল-আজহা বুলিও কোৱা হয়। ঈদগাহসমূহত আজি ইছলাম ধৰ্মাৱলম্বী লোকসকলে সমবেত হৈ ভাতৃত্ববোধ আৰু বিশ্ব শান্তিৰ বাবে ঈদৰ নামাজত অংশগ্ৰহণ কৰে।

**চিৰাং** জিলাৰ ঢালিগাঁও বৰতালোৱা ঈদগাহ ময়দান, বিজনী জুমা মছজিদ, পালেংবাৰী, আলুখুন্দা, বাগৰগাওঁ আদি অঞ্চলৰ বিভিন্ন ঈদগাহ ময়দান আৰু মছজিদ প্ৰাংগনত ভালেসংখ্যক লোকে ঈদৰ নামাজত অংশগ্ৰহণ কৰে। বৰপেটাতো আজি ইছলাম ধৰ্মাৱলম্বি লোকসকলে ঈদ-উজ্-জোহা উলহ মালহেৰে পালন কৰে। **বৰপেটা** সদৰৰ লগতে জিলাখনৰ হাউলী, কুকাৰপাৰ, কয়াকুছি, মন্দিয়া, কলগাছিয়া, পালোহাজি আদি অঞ্চলত অনুষ্ঠিত নামাজত কেইবাহাজাৰো লোকে অংশগ্ৰহণ কৰে। **কাৰ্বি আংলং** জিলাৰ সদৰ চহৰ ডিফুৰ মছজিদ প্ৰাংগনত আজি আলাহাজ মৌলানা গিয়াছুদ্দিনৰ সভাপতিত্বত ঈদৰ নামাজ অনুষ্ঠিত হয়। ইয়াৰ পাছতে মছজিদ সমিতিৰ তৰফৰ পৰা পথচাৰি আৰু সুৰক্ষা কৰ্মীৰ মাজত মিঠাই বিতৰণ কৰা হয়। **ধুবুৰী** কেন্দ্ৰীয় ঈদগাহত আজি অনুষ্ঠিত ঈদৰ সমুহীয়া নামাজত প্ৰায় দুহেজাৰ লোকে অংশগ্ৰহণ কৰে। **তামুলপুৰ** জিলাতো এইবাৰ ইছলাম ধৰ্মাৱলম্বী লোকসকলে ব্যতিক্ৰমী ৰূপত ঈদ-উজ্-জোহা উদযাপন কৰি সজাগতা সভা অনুষ্ঠিত কৰা পৰিলক্ষিত হয়। **তেজপুৰ**ৰ ঐতিহাসিক ঈদগাহ ময়দানত ঈদৰ সমুহীয়া নামাজ অনুষ্ঠিত হয়।

oooo

শাসনাধিস্থিত বিজেপিয়ে অহা ১৯ জুনত হ'বলগীয়া ৰাজ্যসভাৰ নিৰ্বাচনৰ বাবে অসমৰ পৰা কনাড পুৰকায়স্থক মনোনীত কৰিছে। বিজেপিৰ ৰাষ্ট্ৰীয় মহাসচিব অৰুণ কুমাৰ সিনহাই আজি প্ৰদেশ বিজেপিৰ জ্যেষ্ঠ নেতা কনাড পুৰকায়স্থৰ নাম আনুষ্ঠানিকভাৱে প্ৰকাশ কৰে। উল্লেখযোগ্য যে ১৯ জুনত অসমৰ পৰা ৰাজ্যসভাৰ দুখন আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। কনাড পুৰকায়স্থ হৈছে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী কবিন্দ্ৰ পুৰকায়স্থৰ পুত্ৰ। ৰাজ্যসভাৰ এই আসনখনৰ প্ৰতিদ্বন্দ্বিতাৰ বাবে বিজেপিৰ ১৩গৰাকী নেতাই আবেদন জনাইছিল। আমাৰ সংবাদদাতাই জনোৱা মতে অসমত ৰাজ্যসভাৰ দুখন আসনৰ এখন আসনত বিজেপিয়ে আৰু আনখনত অগপই প্ৰতিদ্বন্দ্বিতা কৰাৰ বাবে মিত্ৰদল দুটাই সিদ্ধান্ত গ্ৰহণ কৰিছিল। বিজেপিয়ে প্ৰাৰ্থী চূড়ান্ত কৰিলে যদিও এই পৰ্যন্ত অগপই প্ৰাৰ্থীৰ নাম ঘোষণা কৰা নাই। সোমবাৰ ৯ জুন হৈছে ৰাজ্যসভা নিৰ্বাচনৰ মনোনয়ন দাখিলৰ অন্তিম

দিন। উল্লেখযোগ্য যে বৰ্তমানৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু মিছ্ন ৰঞ্জন দাসৰ কাৰ্যকাল ১৪ জুনত অন্ত পৰিব।

০০০০

গুৱাহাটী মহানগৰৰ ৰূপনগৰত যোৱা নিশা ভূমিস্খলনৰ ঘটনা সংঘটিত হৈ এজন লোকৰ মৃত্যু হৈছে। ৰূপনগৰৰ পাহাৰৰ নামনিত থকা দুটা পৰিয়ালৰ বাসগৃহৰ ওপৰত পাহাৰৰ পৰা এটা প্ৰকাণ্ড শিল খহি পৰে। খহি পৰা শিল আৰু মাটিয়ে ৰেণু বৰ্মন আৰু বিনয় সিং নামৰ দুজন লোকৰ ঘৰ ধ্বংসস্তূপত পৰিণত কৰে। খহি পৰা মাটিৰ তলত মনেশ্বৰ ৰাজবংশী নামৰ এজন লোক আৱদ্ধ হৈ পৰে। ৰেণু বৰ্মনৰ তোলনীয়া পত্ৰ মনেশ্বৰ ৰাজবংশীক উদ্ধাৰৰ বাবে এছ ডি আৰ এফ আৰু অগ্নিনিৰ্বাপক বাহিনীয়ে নিশাই অভিযান আৰম্ভ কৰে। প্ৰায় ১৫ ঘণ্টা অভিযানত অন্তত উদ্ধাৰকাৰী দলে মনেশ্বৰ ৰাজবংশীৰ মৃতদেহটো উদ্ধাৰ কৰে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত আকাশবাণীৰ বাতৰি কক্ষৰ বাহিৰতো এটা নিজস্ব পৰিচয় দাঙি ধৰিবলৈ সমৰ্থ হোৱা কেইগৰাকীমান বাতৰি পঢ়োতাৰ সৈতে অন্তৰংগ আলাপ প্ৰচাৰ কৰা হ'ব। আকাশবাণী বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ সৈতে এই অনুষ্ঠানত অন্তৰংগ আলাপত ভাগ ল'ব আকাশবাণী গুৱাহাটীৰ তিনিগৰাকী বাতৰি পৰিৱেশকে।

০০০০

পশ্চিম কাৰ্বি আংলঙত আজি বিষাক্ত কাঠফুলা সেৱন সন্দৰ্ভত বিশেষ সজাগতা শিবিৰ অনুষ্ঠিত কৰা হয়। যোৱা শুকুৰবাৰে বিষাক্ত কাঠফুলা খাই ৫ গৰাকী লোক বিষক্ৰিয়াত অসুস্থ হোৱাৰ পৰিপ্ৰেক্ষিতত জিলাখনৰ একাংশ স্বাস্থ্য কৰ্মীয়ে বিভিন্ন অঞ্চলত এই সজাগতা প্ৰদান কাৰ্যসূচী অনুষ্ঠিত কৰে।

০০০০

কেন্দ্ৰৰ নৰেন্দ্ৰ মোদী নেতৃত্বাধীন এন ডি এ চৰকাৰে ১১ বছৰ সম্পূৰ্ণ কৰিবলৈ ওলাইছে। এন ডি এ চৰকাৰৰ এখন উল্লেখযোগ্য ধ্বজাবাহী আঁচনি হৈছে প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ আঁচনি। অসমত এই আঁচনিখনৰ ৰূপায়ণৰ অগ্ৰগতি সম্পৰ্কে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ নতুন আৰু পুনৰব্যৱহাৰযোগ্য শক্তি বিভাগৰ মুখ্য প্ৰৱন্ধক বিজয় শংকৰ বৰুৱাৰ সৈতে আকাশবাণী বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ এটা কথোপথন প্ৰচাৰ কৰা হ'ব।

০০০০

সমাপ্ত